**উৰিষ্যা চৰকাৰ আৰু অন্যান্য ইত্যাদি**

**বনাম**

**সদাশিৱ মহান্টি**

**২৫ অক্টোবৰ, ১৯৯৬**

**[ন্যায়াধীশ কে. ৰামাস্বামী আৰু ন্যায়াধীশ এছ.পি.কুৰডুকাৰ]**

সেৱা আইন:

উৰিষ্যা সেৱা সংহিতা-নিয়ম ২(ii), ১১,১০৪-চৰকাৰী আবাসগৃহ আবন্টন-অৱসৰ প্ৰাপ্ত কৰ্মচাৰী- আবাসগৃহ দখল কৰি আছিল-সময়সীমাৰ বাহিৰত থকাৰ বাবে শাস্তিমূলক ভাড়া-চৰকাৰৰ জৰিমনা আৰোপ কৰাৰ ক্ষমতা- সমৰ্থন কৰা হয়- য'ত নিয়মসমূহ প্ৰযোজ্য কৰা নহয় তেনে ক্ষেত্ৰত চৰকাৰে অধিক সময়ৰ বাবে শাস্তিমূলক ভাড়া আৰোপ কৰাৰ ক্ষমতা নাই-কোনো যোগ্য কৰ্তৃপক্ষ বা উচ্চ ন্যায়ালয়ৰ নিৰ্দেশ অনুসৰি অনুমোদিত সময়সীমাৰ পাছতো চৰকাৰী আবাসগৃহ দখল কৰি থাকিলে চৰকাৰী চাকৰিয়ালে শাস্তিমূলক ভাড়া দিব লাগিব- চৰকাৰী চাকৰিয়াল এজনক নিৰ্ধাৰিত সময়সীমাৰ পাছত চৰকাৰী আৱাসগৃহত থাকিবলৈ দিয়া হ'ব নে নহয় সেই সিদ্ধান্ত লওঁতে উচ্চ ন্যায়ালয়ে ব্যতিক্ৰম পৰিস্থিতিতহে গোচৰ বিবেচনা কৰিব।

দেৱানী আপীল অধিকাৰক্ষেত্ৰ: দেৱানী আপীল নং ১৪৫৩৪/১৯৯৬ ইত্যাদি ইত্যাদি"-

অ'. এ. নং: ৯২৭/১৯৯২ গোচৰত উৰিষ্যা প্ৰশাসনিক ন্যায়াধিকৰণ, ভুৱনেশ্বৰৰ ৭.১.১৯৯৩ তাৰিখৰ ৰায় আৰু আদেশৰ ওপৰত কৰা আপীল।

আপীলকাৰীসকলৰ হৈ পি.এন.মিশ্ৰ ।

উত্তৰদাতাসকলৰ হৈ কে.এন. ত্ৰিপাঠী, জনৰঞ্জন দাস, কে বিশ্বনাটিয়ান আৰু কে.ভি. ভেংকটাৰমণ।

ন্যায়ালয়ে তলত দিয়া আদেশ প্ৰদান কৰে:

অনুমতি প্ৰদান কৰা হ'ল।

আমি দুয়োপক্ষৰ বিজ্ঞ অধিবক্তা সকলৰ যুক্তি সমূহ শুনিলো।

বিশেষ অনুমতিৰ অধীনত দাখিল কৰা এই আবেদনসমূহে ১৯৯২ চনৰ ২৫ মে'ত কেন্দ্ৰীয় প্ৰশাসনিক ন্যায়াধিকৰণ, ভুবনেশ্বৰ এ অ'.এ. নং ১৫৪৯/৯০ আৰু আনুষংগিক গোচৰত জাৰি কৰা আদেশক প্ৰত্যাহ্বান জনাইছে।

নিৰ্বিবাদ সত্যটো হ'ল যে সকলো প্ৰতিবাদকাৰী চৰকাৰী কৰ্মচাৰী। তেওঁলোকৰ কাৰ্যকালত ভুবনেশ্বৰ আৰু কটকত চৰকাৰী বাসগৃহ আবন্টন দিয়া হৈছিল।অৱসৰৰ সময়ত যদিও তেওঁলোকৰ আবন্টন বাতিল কৰা হৈছিল, তেওঁলোকে চৰকাৰী বাসগৃহ খালী কৰা নাছিল। ফলস্বৰূপে, চৰকাৰে তেওঁলোকৰ পৰা উৰিষ্যা সেৱা সংহিতাৰ অধীনত নিৰ্ধাৰিত ভাড়াতকৈ ৫ গুণ বেছি ভাড়া লয়।যেতিয়া প্ৰতিবাদকাৰীসকলে ন্যায়াধিকৰণত এই জৰিমনাৰ ওপৰত প্ৰত্যাহ্বান জনায়, তেতিয়া ন্যায়াধিকৰণে ৰায় দিয়ে যে চৰকাৰৰ নিয়মীয়া ভাড়াতকৈ অধিক ভাড়া জৰিমনা হিচাপে আদায় কৰাৰ কৰ্তৃত্ব নাই। ফলত চৰকাৰৰ আদেশ আইনমতে অবৈধ বুলি ধৰা হয়। চৰকাৰৰ হৈ উপস্থিত থকা বিদ্বান অধিবক্তা শ্ৰী পি. এন. মিশ্ৰই যুক্তি দিয়ে যে ন্যায়াধিকৰণে গ্ৰহণ কৰা সিদ্ধান্তটো উৰিষ্যা সেৱা সংহিতাৰ(চমুকৈ 'সংহিতা')১১ নং নিয়মৰ বিপৰীত, য'ত উল্লেখ আছে যে যদি অৱসৰ গ্ৰহণ কৰা কোনো চৰকাৰী কৰ্মচাৰীয়ে নিয়মৰ অধীনত নিৰ্ধাৰিত সৰ্বোচ্চ চাৰি মাহৰ অধিক সময় চৰকাৰী বাসগৃহত কটায়, তেন্তে তেওঁ চাৰি মাহৰ অধিক সময় কটোৱাৰ বাবে নিয়মীয়া ভাড়াৰ পাঁচগুণ শাস্তিমূলক ভাড়া দিব লাগিব। গতিকে ন্যায়াধিকৰণে গ্ৰহণ কৰা সিদ্ধান্তটো আইনগতভাৱে শুদ্ধ নহয়। উত্তৰদাতাসকলক প্ৰতিনিধিত্ব কৰা বিদ্বান অধিবক্তা শ্ৰীযুত জনৰঞ্জন দাসে যুক্তি আগবঢ়ায় যে নিয়মৰ পৰিশিষ্ট অনুসৰি চৰকাৰে ঘৰ আবন্টন আৰু ইয়াৰ ব্যৱহাৰৰ পদ্ধতি নিৰ্ধাৰণ কৰিছে, যাৰ অধীনত চৰকাৰী কৰ্মচাৰীয়ে ঘৰৰ বাবে নিৰ্ধাৰিত ভাড়া দিব লাগিব। অৰ্থাৎ তেওঁ কয় যে বেছি দিন থকাৰ বাবে নিৰ্ধাৰিত ভাড়াতকৈ পাঁচগুণ ভাড়া লোৱাৰ কোনো কৰ্তৃত্ব নাই।

গতিকে প্ৰশ্নটো হ'লঃ ন্যায়াধিকৰণৰ মতামত আইনগতভাৱে শুদ্ধ নেকি? দেখা যায় যে বিনিয়ম সমূহৰ ১০৪ নং নিয়মৰ অধীনত প্ৰদান কৰা নিৰ্দেশনাৰ অধীনত

কিছু চৰ্ত আৰু নিয়ম অনুসৰি চৰকাৰে বাসগৃহৰ আবণ্টন নিয়ন্ত্ৰণ কৰাৰ ক্ষমতা সংৰক্ষিত ৰাখিছে। ১১ নং নিয়মত বিষয়াসকলক চৰকাৰী ঘৰ বা চৰকাৰে লিজত দিয়া ঘৰৰ আবণ্টন দিয়াৰ কথা উল্লেখ কৰা হৈছে, নিয়ম ২(ii) অনুসৰি চৰকাৰে দফা (খ)ত উল্লেখ কৰাতকৈ অধিক মাচুল ল'বলৈ সাধাৰণ বা বিশেষ আদেশ জাৰি কৰিব পাৰে। দফা (৬)ত উল্লেখ আছে যে যদি কোনো চৰকাৰী কৰ্মচাৰীয়ে আবণ্টন বাতিল হোৱাৰ পিছতো কোনো ঘৰ খালী নকৰে তেন্তে অধিক ভাড়াৰ ৰূপত জৰিমনা আৰোপ কৰাৰ কৰ্তৃত্ব চৰকাৰৰ আছে।ইয়াৰ বাবে পদ্ধতি ১৯৮৬ চনৰ ১২ ডিচেম্বৰৰ চৰকাৰৰ কাৰ্য্যবিধিৰ দ্বাৰা নিৰ্ধাৰণ কৰা হৈছে। ইয়াৰ দফা (২)ত উল্লেখ আছে যে কোনো চৰকাৰী কৰ্মচাৰীয়ে, যিয়ে সচাঁ অৰ্থত স্বাস্থ্যজনিত কাৰণত বা একেবাৰে এৰাব নোৱাৰা কাৰণত চৰকাৰী আবাসগৃহ খালী কৰিব নোৱাৰে, তেন্তে তেওঁ ইষ্টেট সঞ্চালকৰ (Director of Estates) আগতীয়া লিখিত অনুমতি সাপেক্ষে চৰকাৰী আবাসগৃহৰ বাবে নিৰ্ধাৰিত ভাড়া পৰিশোধ কৰি চৰকাৰী আবাসগৃহটো কেৱল এমাহৰ অতিৰিক্ত সময়ৰ বাবে ৰাখিব পাৰে।অৰ্থাৎ চৰকাৰী চাকৰিয়াল এজনে অৱসৰ/বদলিৰ পিছত কোৱাৰ্টাৰ খালী কৰিব লাগিব যদিহে অত্যন্ত প্ৰয়োজনীয় কাম থাকে তেন্তে ইষ্টেট সঞ্চালকৰ আগতীয়া লিখিত অনুমতি হ'লেহে থাকিব পাৰিব। তেওঁ মাত্ৰ এমাহৰ বাবেহে চৰকাৰী আবাসগৃহত থাকিব পাৰিব যহিহে তেওঁ নিয়মীয়া ভাড়া আগতীয়াকৈ পৰিশোধ কৰে। দফা (৫)ত উল্লেখ আছে যে চৰকাৰী কৰ্মচাৰীয়ে নিয়মত উল্লেখ কৰা ধৰণে আগতীয়াকৈ নিয়মীয়া ভাড়া দি অৱসৰৰ পিছত চাৰি মাহলৈকে চৰকাৰী আবাসগৃহত থাকিব পাৰে। কিন্তু তেওঁলোকৰ ডি.চি.আৰ.জি তেওঁলোকে কোৱাৰ্টাৰ খালী কৰাৰ পিছতহে মুকলি কৰা হ'ব। লগতে চৰকাৰী আবাসগৃহত চাৰি মাহতকৈ অধিক সময় থকাৰ বাবে চৰকাৰে নিয়মীয়া হাৰৰ পাঁচগুণ ভাড়া ল'ব। এইদৰে দেখা যায় যে এজন চৰকাৰী কৰ্মচাৰীয়ে চাকৰি কাল শেষ হোৱাৰ পিছত চাৰি মাহৰ সময়সীমা শেষ হোৱাৰ পিছত চৌহদ খালী কৰিব লাগিব, যদিহে তেওঁ দফা (৫)ৰ অধীনত নিৰ্ধাৰিত ভাড়া পৰিশোধ কৰে। যদি তেওঁ চাৰি মাহতকৈ অধিক সময় থাকে তেন্তে তেওঁৰ পৰা নিয়মৰ অধীনত নিৰ্ধাৰিত ভাড়াৰ পাঁচগুণ ভাড়া লোৱা হ'ব। শ্ৰীযুত জনৰঞ্জন দাসে নিৰ্ভৰ কৰা নিয়মৰ পৰিশিষ্টৰ এই গোচৰসমূহৰ ওপৰত কোনো প্ৰভাৱ নাই। কোনো চৰকাৰী কৰ্মচাৰীৰ ঘৰ আছে যদিও প্ৰৱঞ্চনাৰে ঘৰৰ আবণ্টন লাভ কৰিছে, তেনে ক্ষেত্ৰত চৰকাৰে নিয়ম অনুসৰি তেওঁক উচ্ছেদ কৰাৰ অধিকাৰ আছে,

কিন্তু তেওঁ কেৱল নিৰ্ধাৰিত ভাড়া দিব লাগিব। যদি কোনো চৰকাৰী কৰ্মচাৰীয়ে আবণ্টিত ঘৰৰ বাহিৰৰ অংশ দখল কৰি ইষ্টেট বিষয়াৰ অনুমতি অবিহনে ভাড়াত দিয়ে, তেন্তে তেওঁ নিৰ্ধাৰিত হাৰ অনুসৰি মূল ঘৰ আৰু বাহিৰৰ দুয়োটাৰে বাবে নিৰ্ধাৰিত ভাড়া দিব লাগিব। ইয়াৰ পৰা বুজা যায় যে বিশেষ পৰিস্থিতিৰ সৈতে মোকাবিলা কৰিবলৈ এইটো প্ৰয়োজনীয় আছিল। কিন্তু ১১ নং নিয়মৰ পৰিশিষ্টই চাৰি মাহৰ অধিক সময় কটোৱা চৰকাৰী চাকৰিয়ালৰ বাবে বিশেষ সহায় নকৰে। গতিকে চাৰি মাহৰ সময়সীমা শেষ হোৱাৰ পিছত চৰকাৰে শাস্তিমূলক ভাড়া আৰোপ কৰাৰ অধিকাৰী নহয় বুলি ন্যায়াধিকৰণে লোৱা সিদ্ধান্তটো সম্পূৰ্ণ অবৈধ আছিল।

মূল আবেদন নং: ২০৭৮/৯২ ত ন্যায়াধিকৰণৰ ১৮.১১.১৯৯৩ তাৰিখৰ আদেশৰ বিৰুদ্ধে দাখিল কৰা এছ. এল. পি (চি) নং: ১৪৬০৬/৯৪ৰ পৰা উদ্ভৱ হোৱা আপীলৰ সন্দৰ্ভত গ্ৰহণযোগ্য স্থিতি হ'ল যে প্ৰতিবাদীজন কৰণজিয়াৰ এটা চৰকাৰী আবাসগৃহত কোৱাৰ্টাৰত বাস কৰিছিল৷ দেখা যায় যে ওপৰত উল্লেখ কৰা নিয়ম কটক আৰু ভুৱনেশ্বৰত চৰকাৰী কৰ্মচাৰীক আবণ্টিত কোৱাৰ্টাৰৰ সৈতে সম্পৰ্কিত। এই পৰিস্থিতিত চৰকাৰে কটক আৰু ভুৱনেশ্বৰত চৰকাৰী ঘৰ বা দখল কৰা ঘৰৰ বাবে নিৰ্ধাৰিত সীমাতকৈ অধিক শাস্তিমূলক ভাড়া আৰোপ কৰিবলৈ বিশেষ নিৰ্দেশ জাৰি কৰিছে যদিও এই আদেশে আন ঠাইত ঘৰৰ বাবে শাস্তিমূলক ভাড়া আৰোপ কৰাৰ ক্ষমতাক সীমিত কৰে যদিহে ইয়াক অনুমোদন দিবলৈ নিৰ্দিষ্ট নিয়ম বা সাধাৰণ নিৰ্দেশনা জাৰি কৰা নহয়।গতিকে কেৱল সেই গোচৰৰ ক্ষেত্ৰতহে ন্যায়াধিকৰণ সঠিক আছিল। কিন্তু বাকী গোচৰৰ ক্ষেত্ৰত যোগ্য কৰ্তৃপক্ষই দিয়া আদেশ চূড়ান্ত হৈ পৰিছে। অতিৰিক্ত দিন থকাৰ বাবে শাস্তিমূলক ভাড়া আৰোপ কৰাৰ ক্ষমতা চৰকাৰৰ নাই। যদি কোনো চৰকাৰী কৰ্মচাৰীয়ে উচ্চ ন্যায়ালয় বা যোগ্য কৰ্তৃপক্ষই অনুমতি দিয়া সময়সীমাতকৈ বেছি সময় চৰকাৰী ঘৰত থাকে তেন্তে তেওঁলোকে অতিৰিক্ত সময়ছোৱাৰ বাবে শাস্তিমূলক ভাড়া দিব লাগিব। চৰকাৰী কৰ্মচাৰীক নিৰ্দিষ্ট সময়সীমাতকৈ অধিক সময় চৰকাৰী বাসগৃহত থাকিবলৈ অনুমতি দিয়াৰ নিৰ্দেশ দিয়াৰ আগতে উচ্চ ন্যায়ালয়ে কেৱল বিশেষ পৰিস্থিতিৰ কথাহে বিবেচনা কৰিব লাগে। ইয়াৰ উদ্দেশ্য হৈছে বদলি হোৱা বা আবন্টনৰ অপেক্ষাত থকা চৰকাৰী কৰ্মচাৰীসকলে যাতে উপযুক্ত বাসস্থানৰ সুবিধা পাই,তাৰ প্ৰতি লক্ষ্য ৰখা।

সেই অনুসৰি, ওপৰত উল্লেখ কৰা বিষয় সন্দৰ্ভত আপীল সমূহ মঞ্জুৰ কৰা হৈছে। কোনো খৰচ আৰোপ কৰা হোৱা নাই।

আপীল মঞ্জুৰ কৰা হৈছে।

জি.এন.

-----------------------------------

অনুবাদক-কংকনা বৰা, জ্যেষ্ঠ অনুবাদক, অনুবাদ শাখা, গুৱাহাটী উচ্চ ন্যায়ালয়

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

“স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বিবেচিত হব।“